# NSD NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-03-2026
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ গৌতম বুদ্ধ নগৰ জিলাৰ জেৱৰত নয়দা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰে।

২। বিজেপি জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰীয়ে অহা সোমবাৰে **মেৰা বুথ সবচে মজবুত** কাৰ্যসূচীৰ অধীনত নমো এপ'ৰ মাধ্যমেৰে অসম আৰু পুডুচেৰীৰ দলীয় কৰ্মীসকলক সম্বোধন কৰিব।

৩। WTOৰ আলোচনাৰ জৰিয়তে উৰুগুৱে ৰাউণ্ডত সৃষ্টি হোৱা ভাৰসাম্যহীনতা দূৰ কৰা উচিত বুলি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে মন্তব্য কৰিছে।

৪। ইৰাণৰ বিদেশমন্ত্ৰী আববাচ আৰাঘাছিয়ে দেশখনৰ বহুকেইটা গুৰুত্বপূৰ্ণ স্থানক লক্ষ্য কৰি চলোৱা আক্ৰমণৰ বাবে ইজৰাইলে গুৰুতৰ মূল্য ভৰিব লাগিব বুলি সকীয়াই দিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ১৯ সংখ্যক সংস্কৰণ আজি সন্ধিয়া বেংগালুৰুত আৰম্ভ হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ গৌতম বুদ্ধ নগৰ জিলাৰ জেৱৰত নয়দা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰে। তেওঁ লগতে ৪০ একৰ ভূমি সামৰি তদাৰক, মেৰামতি আৰু নবীকৰণ সুবিধা কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে শ্ৰীমোদীয়ে কয়, যে এয়া বিকশিত উত্তৰ প্ৰদেশ, বিকশিত ভাৰত অভিযানৰ এটা নতুন অধ্যায়। তেওঁ কয়, যে বিমান বন্দৰটোৰ পৰা আগ্ৰা, মথুৰা, আলীগড়, গাজিয়াবাদ, ইটাৱা আৰু ফৰিদাবাদকে ধৰি পশ্চিম উত্তৰ প্ৰদেশৰ ভালেমান জিলা উপকৃত হ'ব। বিমান বন্দৰটোৱে অঞ্চলটোৰ খেতিয়ক, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ তথা যুৱ প্ৰজন্মৰ বাবে ভালেমান নতুন সুযোগ লৈ আহিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ জেৱৰ বিমান বন্দৰ উত্তৰ প্ৰদেশৰ প্ৰগতি আৰু উন্নয়নৰ প্ৰতীক হ'ব বুলি আশা প্ৰকাশ কৰে। প্ৰায় ১১ হাজাৰ ২০০ কোটি টকা ব্যয়সাপেক্ষে এই বিমান বন্দৰটো নিৰ্মাণ কৰা হৈছে। নয়দা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ দেশৰ সৰ্ববৃহৎ গ্ৰীণ ফিল্ড বিমানবন্দৰসমূহৰ অন্যতম। বিমান বন্দৰটোৰ উদ্বোধন দেশক গোলকীয় বিমান পৰিবহণ কেন্দ্ৰৰূপে গঢ়ি তোলাৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে বিবেচিত হৈছে। বিমানবন্দৰটোৱে বছৰি আঢ়ৈ লাখ মেট্ৰিকটন সামগ্ৰী সৰবৰাহ কৰিব পৰা যাব আৰু এই পৰিমাণ প্ৰায় ১৮ লাখ মেট্ৰিকটনলৈ বৃদ্ধি কৰাৰ থল আছে।

০০০০০০

বিজেপি জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা সোমবাৰে **মেৰা বুথ সবচে মজবুত** কাৰ্যসূচীৰ অধীনত নমো এপ'ৰ মাধ্যমেৰে অসম আৰু পুডুচেৰীৰ দলীয় কৰ্মীসকলক সম্বোধন কৰিব। শ্ৰীমোদীয়ে সামাজিক মাধ্যম যোগে কয়, যে বিগত দশকত অসমৰ প্ৰগতিয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে আৰু ৰাজ্যখন সকলো ক্ষেত্ৰত উন্নয়নমুখী যাত্ৰাৰ বাবে জনাজাত হৈ পৰিছে। শ্ৰীমোদীয়ে কয়, যে এনে উন্নয়নমূলক কাম-কাজৰ বাবে জনসাধাৰণে দ্বৈত ইঞ্জিন যুক্ত এন ডি এ চৰকাৰক পৰৱৰ্তী ৫ বছৰৰ বাবে সুযোগ দিয়াৰ সিদ্ধান্ত লৈছে।

শ্ৰীমোদীয়ে সামাজিক মাধ্যমৰ আন এটা পোষ্টত কয়, যে দ্বৈত ইঞ্জিনযুক্ত এন ডি এ চৰকাৰে বিগত ৫ বছৰত পুডুচেৰীৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ লগতে পুডুচেৰীৰ দলীয় কৰ্মীসকলৰ সৈতে আলোচনা কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰে।

oooooo

বিশ্ব বাণিজ্য সংস্থা WTOৰ আলোচনাৰ জৰিয়তে উৰুগুৱে ৰাউণ্ডত সৃষ্টি হোৱা ভাৰসাম্যহীনতা দূৰ কৰা উচিত বুলি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে মন্তব্য কৰিছে। তেওঁ কয়, যে সকলো সদস্য ৰাষ্ট্ৰই উৎপাদন সামৰ্থ বৃদ্ধি, কৰ্ম সংস্থাপন সৃষ্টি আৰু গোলকীয় বাণিজ্যত ভাগ লোৱাৰ উপযুক্ত সুযোগ লাভ কৰা উচিত। মন্ত্ৰীগৰাকীয়ে কয়, যে বহুপাক্ষিক ব্যৱসায় প্ৰণালীৰ জৰিয়তে সদস্য ৰাষ্ট্ৰসমূহৰ মাজত উদ্ভাৱন, বিকাশ আৰু সুযোগৰ সমবিতৰণ সুনিশ্চিত কৰিব লাগে। গোলকীয় বাণিজ্যৰ ক্ষেত্ৰত WTOৰ কেন্দ্ৰীয় ভূমিকা বৰ্তাই ৰখাৰ বাবে গঠনমূলক সহযোগিতা অব্যাহত ৰখাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে শ্ৰীগোৱেলে দোহাৰে।

কেমেৰুনত অনুষ্ঠিত চতুৰ্দশ মন্ত্ৰী পৰ্যায়ৰ সন্মিলনত ভাগ লোৱাৰ সুযোগতে শ্ৰীগোৱেলে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাণিজ্যিক প্ৰতিনিধি জেমিচন গ্ৰীৰকে ধৰি কেইবাখনো দেশৰ নেতাক সাক্ষাৎ কৰে। শ্ৰীগোৱেলে কানাডাৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মন্ত্ৰী মনিন্দৰ সিদ্ধুকো দেখা কৰে আৰু নতুনকৈ সম্পাদিত ভাৰত-কানাডা সৰ্বাত্মক অৰ্থনৈতিক সহযোগিতা চুক্তিৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। তেওঁলোকে লগতে দুয়ো দেশৰ মাজত দ্বিপাক্ষিক বাণিজ্য আৰু অৰ্থনৈতিক সহযোগিতা সুদৃঢ় কৰাৰ উপায় সম্পৰ্কেও আলোচনা কৰে।

oooooo

ইৰানৰ বহুকেইটা গুৰুত্বপূৰ্ণ স্থানত ইজৰাইলে আক্ৰমণ কৰাৰ পাছত ইজৰাইলে এক গুৰুতৰ মূল্য ভৰিব লাগিব বুলি ইৰাণৰ বিদেশমন্ত্ৰী আববাচ আৰাঘাছিয়ে সকীয়াই দিছে। ইজৰালি সেনাই কয় যে, দেশখনৰ বায়ু সেনাই ইৰানৰ খোন্দাব হেভী ওৱাটাৰ কপ্লেক্স আৰু ইয়াজাদত এটা ইউৰিনায়ম প্ৰসংস্কৰণ কেন্দ্ৰত আক্ৰমণ চলায়। ইফালে ইৰানৰ আণৱিক শক্তি কেন্দ্ৰই এই আক্ৰমণ নিশ্চিত কৰে যদিও ইয়াত কোনো হতাহতি হোৱা নাই আৰু তেজস্ক্ৰিয় ৰশ্মি নিৰ্গত হোৱা নাই বুলি প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত আৰাঘাছিয়ে কয় যে, ইজৰাইলে লো উদ্যোগ আৰু এটা শক্তি কেন্দ্ৰকে ধৰি বৃহৎ উদ্যোগিক আন্তঃগাঁথনিক লক্ষ্য কৰি লৈছে। ইৰানৰ সেনাই কয় যে, দেশখনৰ শক্তি খণ্ডক লক্ষ্য কৰি আমেৰিকা আৰু ইজৰাইলে জুইৰ সৈতে খেলিছে।

oooooo

নেপালৰ নৱনিৰ্বাচিত প্ৰধানমন্ত্ৰী বলেন্দ্ৰ শ্বাহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক তেওঁৰ শুভেচ্ছামূলক বাৰ্তাৰ বাবে ধন্যবাদ জনাইছে। তেওঁ দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক সহযোগিতা আৰু শক্তিশালী হোৱাৰ আশা প্ৰকাশ কৰে। বলেন্দ্ৰ শ্বাহে কয় যে, ভাৰতৰ সৈতে সম্পৰ্ক গভীৰ কৰিবলৈ আৰু দুয়োখন দেশৰ জনতাৰ মাজত সমৃদ্ধিৰ উত্তৰণ ঘটাবলৈ নিবিড়ভাৱে কাম কৰিবলৈ তেওঁ আগ্ৰহী। ৰাষ্ট্ৰীয় স্বতন্ত্ৰ পাৰ্টীৰ সংসদীয় দলৰ নেতা বলেন্দ্ৰ শ্বাহে নেপালৰ

প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে তেওঁক অভিনন্দন জনাইছিল। দুয়োখন দেশৰ লাভালাভৰ বাবে ভাৰত-নেপাল মৈত্ৰীক এক নতুন মাত্ৰা প্ৰদানৰ বাবে কাম কৰিবলৈ তেওঁ আশা ব্যক্ত কৰে।

০০০০০০

নেপালৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলিক আজি গ্ৰেপ্তাৰ কৰা হয়। বিগত বৰ্ষৰ ছেপ্তেম্বৰত দেশখনত জেন জি আন্দোলনৰ সময়ত তেওঁ চৰকাৰে কঠোৰভাৱে দমন কৰাৰ অভিযোগত অলি আৰু প্ৰাক্তন গৃহমন্ত্ৰী ৰমেশ লেখকক গ্ৰেপ্তাৰ কৰা হয়। নেপালৰ  বলেন্দ্ৰ শ্বাহ নেতৃত্বাধীন নৱনিৰ্বাচিত চৰকাৰখনে জেন জি আন্দোলন তদন্ত আয়োগৰ প্ৰতিবেদন ৰূপায়নৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ এদিনৰ পাছতেই তেওঁলোকক গ্ৰেপ্তাৰ কৰা হয়। তদন্ত আয়োগখনে ফৌজদাৰী অপৰাধৰ অধীনত অলি লেখক আৰু অন্যান্যসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰাৰ পৰামৰ্শ আগবঢ়াইছিল। অলিক গ্ৰেপ্তাৰৰ পাছতেই তেওঁক স্বাস্থ্য পৰীক্ষাৰ বাবে ত্ৰিভূৱন বিশ্ববিদ্যালয় শৈক্ষিক চিকিৎসালয়লৈ লৈ যোৱা হয়। উল্লেখযোগ্য যে দেশখনত সংঘটিত জেন জি আন্দোলনত ৭৬ গৰাকী লোকৰ মৃত্যু হৈছিল।

০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে এদিনীয়া ভ্ৰমণ সূচীৰে আজি ঝাৰখণ্ডত উপস্থিত হৈছে। তেওঁ আজি পুৱা খুনটি উলিহাটো গাওঁত উপস্থিত হয়। তাত তেওঁক ভগৱান বীৰছা মুণ্ডাৰ জন্ম স্থানত পৰম্পৰাগতভাৱে আদৰণি জনোৱা হয়। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ভগৱান বীৰছা মুণ্ডাৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি তৰ্পন কৰে আৰু তেওঁৰ উত্তৰপুৰুষ সকলৰ সৈতে বাৰ্তালাপ কৰে। এই কাৰ্য্যসূচীত শ্ৰী ৰাধাকৃষ্ণণে বীৰছা মুণ্ডাৰ পৰিয়ালৰ এগৰাকী সদস্য সুখৰাম মুণ্ডাক সন্মান জনায় আৰু তেওঁলোকৰ পৰিয়ালৰ বিষয়ে অৱগত হয়। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে আজি আই আই এম ৰাঁচীৰ ১৫ সংখ্যক সমাৱৰ্তন সমাৰোহত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব আৰু মেধাৱী শিক্ষাৰ্থীক সম্বৰ্দ্ধনা জনাব।

০০০০০০

আজি পুৱা ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত দিল্লী অভিমুখী এখন ইন্দিগ বিমানে জৰুৰীকালিন অৱতৰণ কৰে। বিমানখনৰ এটা ইঞ্জিন বিকল হোৱাৰ সন্দেহ কৰা হৈছিল। ১৬১ জন যাত্ৰীৰে বিমানখন বিশাখাপট্টমৰ পৰা আহি আছিল। দিল্লী অগ্নিসেৱা কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে আজি পুৱা ১০-৫৩ মিনিটত তেওঁলোকে জৰুৰীকালিন অৱতৰণৰ খবৰ লাভ কৰে আৰু তাৎক্ষণিকভাৱে অগ্নিনিৰ্বাপক যন্ত্ৰ প্ৰেৰণ কৰে। তেওঁলোকে লগতে কয় যে, বিমানখনে নিৰাপদে অৱতৰণ কৰে আৰু কোনো ক্ষয় ক্ষতি হোৱা নাই।

০০০০০০

য়েমেনৰ ৰাজধানী ছানা ২০১৪ চনৰ পৰা নিয়ন্ত্ৰণৰ ৰখা হুঁটী বিদ্ৰোহীয়ে আজি নিচেই পুৱা ইজৰাইলক লক্ষ্য কৰি প্ৰথমটো ক্ষেপনাস্ত্ৰ নিক্ষেপ কৰাৰ ফলত পশ্চিম এছিয়া আঞ্চলিক সংঘাত অধিক তীব্ৰতৰ হৈ উঠিছে। ইৰাণ আৰু হিজবুল্লাৰ মাজত কালি গোটেই নিশা ভয়াৱহ গুলীবৰ্ষন হয় আৰু আজি পুৱাৰ ভাগতেই হুঁটী বিদ্ৰোহীয়ে ক্ষেপনাস্ত্ৰ নিক্ষেপ কৰি যুদ্ধ অধিক তীব্ৰতৰ কৰি তোলে। যুদ্ধৰ বাবে বীৰশ্বেবা আৰু ইৰাণৰ প্ৰাথমিক পাৰমাণৱিক গৱেষণা কেন্দ্ৰৰ সমীপৰ এলেকাত তিনিবাৰকৈ চাইৰেন শব্দ শুনা যায়। ছৌদি আৰবৰ সৈতে দীৰ্ঘকালীন সংঘৰ্ষ বিৰতীৰ বাবে হুঁটী বিদ্ৰোহীসকলে পূৰ্বেত যুদ্ধত প্ৰত্যক্ষভাৱে জড়িত হোৱা নাছিল। অৱশ্যে বিদ্ৰোহীসকলৰ সামৰিক মুখপাত্ৰই ইৰাণলৈ সমৰ্থন আগবঢ়াবলৈ কৈছে।

০০০০০০

ওড়িশাৰ নায়াগাৰ জিলাত যোৱা নিশা এটা পথ দুৰ্ঘটনাত ৪গৰাকী মহিলাকে ধৰি ৫ গৰাকী ব্যক্তি নিহত আৰু ৪০ জনতকৈ অধিক লোক আহত হয়। ৬০ গৰাকী যাত্ৰীক কঢ়িয়াই লৈ অনা এখন ব্যক্তিগত টুৰিষ্ট বাছে নিয়ন্ত্ৰণ হেৰুৱাই হনুমান ঘাটিত দুৰ্ঘটনাত পতিত হয়। আহত সকলক দাসপাল্লা কমিউনিটি হেল্‌থ চেণ্টাৰত ভৰ্তি কৰোৱা হৈছে। প্ৰায় ১৫ গৰাকী গুৰুত্বৰভাৱে আহত লোকক জিলা সদৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ১৯ সংখ্যক সংস্কৰণ আজি সন্ধিয়া বেংগালুৰুত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ উদ্বোধনী খেলত আজি চেন্নাইৰ এম চিন্নাস্বামী ষ্টেডিয়ামত যোৱাবাৰৰ বিজয়ী ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। দুমাহজোৰা এই প্ৰতিযোগিতাখন অহা ৩১ মে'ত সমাপ্ত হ'ব।

ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে দলৰ নতুন অধিনায়ক ৰজত পাটিদাৰৰ নেতৃত্বত খিতাপ অক্ষুন্ন ৰখাৰ যুঁজত অৱতীৰ্ণ হ'ব। ইয়াৰ বিপৰীতে অষ্ট্ৰেলিয়াৰ পেচাৰ পেট কামিন্সে আঘাতৰ বাবে খেলৰ পৰা আঁতৰি থকাত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ নেতৃত্ব ঈষাণ কিষাণে বহন কৰিব। চেন্নাই ছুপাৰ কিংছৰ কিংবদন্তি খেলুৱৈ এম এছ ধোনীয়ে ভৰিৰ আঘাতৰ বাবে প্ৰতিযোগিতাৰ প্ৰথম দুসপ্তাহ ভাগ ল'ব নোৱাৰিব। চেন্নাই ছুপাৰ কিংছে আজি এটা বিবৃতি যোগে এই কথা প্ৰকাশ কৰে।

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ- বি চি চি আইয়ে পূৰ্বৰ দৰে এইবাৰ আই পি এলৰ উদ্বোধনী অনুষ্ঠান আয়োজন নকৰাৰ সিদ্ধান্ত লৈছে। বিগত বৰ্ষৰ জুনত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিজয় উদযাপনত ষ্টেডিয়ামৰ বাহিৰত হোৱা হেঁচা-ঠেলাত ১১ জন ক্ৰিকেট প্ৰেমীৰ মৃত্যুৰ প্ৰতি সন্মান জনাই বি চি চি আইয়ে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। নিহত ক্ৰিকেটপ্ৰেমী কেইগৰাকীৰ সোঁৱৰণত এইবাৰৰ প্ৰতিযোগিতাত ষ্টেডিয়ামত স্থায়ীভাৱে ১১ খন আসন খালী ৰখা হ'ব বুলি বি চি চি আইয়ে ঘোষণা কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩২ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৰছাইট newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

**সমাপ্ত**